No. of Printed Pages—7

127/130 (ASN/TBB)

[19HKMDASO–M4S(O)19A]

MA 4th Semester (Old) Exam., 2019 (S)

ASSAMESE

[MAS (S4) 16 (Lit)]

(অনুবাদ সাহিত্য আৰু নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

প্ৰথম ভাগ

(অনুবাদ সাহিত্য)

1. তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×3=6

(a) অনুবাদ বুলিলে কি বুজে ?

(b) অনুবাদক এগৰাকীয়ে কি কি পদক্ষেপ গ্ৰহণৰ মাজেদি নিজৰ কাৰ্য সমাধা কৰিবলগীয়া হয় ?

(c) প্ৰাক্-শংকৰী যুগৰ কেইগৰাকীমান অনুবাদকৰ কৃতিৰ উল্লেখ কৰক ।

(d) মিছনেৰী গোষ্ঠীৰ অন্তৰ্গত কোনকেইগৰাকী অনুবাদকৰ বিশেষ উল্লেখ অৰুণোদয় যুগে বহন কৰিছে ?

2. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×2=8

(a) অনুবাদ সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মতামত আৰু সিদ্ধান্ত চমুকৈ লিখক।

(b) অনুবাদ-কৰ্মৰ তাত্ত্বিক পৰিচয়ে কি কি দিশ সামৰে?

(c) জাৰ্মান পণ্ডিত ৰোমান জেক'বছনে (Roman Jakobson) কেইপ্ৰকাৰৰ অনুবাদৰ কথা কৈছে? চমুকৈ লিখক।

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো এটাৰ উত্তৰ লিখক (২৫০ শব্দৰ ভিতৰত) :

(a) অনুবাদ সাহিত্যৰ প্ৰকাৰসমূহ কি কি? আলোচনা কৰক। 6

(b) চমুকৈ লিখক : 3×2=6

(i) অনুবাদ স্থান আৰু কালভেদি কৰা এক বিৰাট পৰিভ্ৰমণ

(ii) অনুবাদ-কৰ্ম এক গণতান্ত্ৰিকীকৰণৰ প্ৰক্ৰিয়া

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×2=20

(a) সম্পৰ্কহীন ভাষা-সংস্কৃতিৰ মাজত হোৱা অনুবাদ-সমস্যা কেনেধৰণৰ হ'ব পাৰে, আলোচনা কৰক।

(b) জোনাকী যুগ বা ৰোমাণ্টিক যুগত হোৱা অনুবাদ-কৰ্মসমূহৰ বিস্তৃত লেখ আগবঢ়াওক।

(c) সাম্প্ৰতিক যুগত অসমীয়া অনুবাদ সাহিত্যৰ গতি-প্ৰকৃতি কেনেকুৱা, আলোচনা কৰক।

দ্বিতীয় ভাগ

(নির্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন)

প্ৰশ্ন নং **5**ৰ পৰা **8**লৈ *অথবা* **9**ৰ পৰা **12**লৈ উত্তৰ লিখক

(শংকৰদেৱ)

5. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো *৫০* শব্দৰ ভিতৰত) : 2×2=4

(a) ''কৃষ্ণ-বিষয়ক 'আদি দশম'ৰ কাহিনীবোৰত দুটা বিপৰীতমুখী শক্তিৰ সংঘাত দেখুওৱা হৈছে।'' পাঠৰ এই বাক্যটিৰ তাৎপৰ্য কি ?

(b) বৃন্দাবনৰ কৃষ্ণ কেনেকুৱা—পাঠৰ আধাৰত চমুকৈ লিখক।

(c) ব্ৰহ্মৰ দুটা ৰূপ কি কি ? চমুকৈ লিখক।

6. তলৰ প্ৰশ্নসমূহৰ যি কোনো এটাৰ উত্তৰ লিখক (*১৫০* শব্দৰ ভিতৰত) : 4

(a) আধ্যাত্মিক তত্ত্ব বুলিলে কেনেধৰণৰ বিষয় বুজায় ? চমুকৈ বুজাই লিখক।

(b) 'আদি দশম' বুলিলে কি বুজে, চমুকৈ লিখক।

7. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো *২৫০* শব্দৰ ভিতৰত) : 6×2=12

(a) কৃষ্ণৰ শিশুলীলাৰ বৰ্ণনাৰ মাজত চিৰন্তন মানৱী শিশু আৰু ঐশ্বৰিক মাহাত্ম্যৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰক।

(b) 'আদি দশম'ৰ বিষয়বস্তুৰ সাধাৰণ পৰিচয় আগবঢ়াওক।

(c) ''কৃষ্ণৰ জন্ম কাহিনী দৈৱ নিৰ্দিষ্ট।'' কথাষাৰ বিচাৰ কৰক।

8. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো *৫০০* শব্দৰ ভিতৰত) : 10×2=20

(a) ''শংকৰদেৱে ঋতু পৰিৱৰ্তন সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিছিল।'' 'বৰ্ষা বৰ্ণনা' পাঠ্যাংশৰ আধাৰত বিচাৰ কৰক।

(b) 'কালীয় দমন' কাহিনীভাগৰ তাৎপৰ্য বিচাৰ কৰক।

(c) 'গকুলৰ শিশু কৃষ্ণ'—এই বিষয়ত এটা আলোচনা আগবঢ়াওক।

(জ্যোতিপ্রসাদ আগৱৱালা)

9. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×2=4

(a) জ্যোতিপ্রসাদৰ নাটকসমূহক প্রকাশভংগী অনুসৰি কি কি দুটা বিভাগত ভাগ কৰিব পাৰি ?

(b) 'ৰূপালীম' কোন শ্রেণীৰ নাট ? এই নাটকৰ অংক-বিভাজন কেইটা ?

(c) অনিৰুদ্ধ আৰু উষাৰ ক'ত সাক্ষাৎ ঘটিছিল আৰু কি প্রথামতে উষা আৰু অনিৰুদ্ধৰ বিয়া পাতি দিয়া হৈছিল ?

10. তলৰ প্ৰশ্নসমূহৰ যি কোনো এটাৰ উত্তৰ লিখক (১৫০ শব্দৰ ভিতৰত) : 4

(a) 'ৰূপালীম' নাটকৰ পটভূমি—এই সম্পর্কত চমুকৈ লিখক।

(b) 'লভিতা' নাটকৰ গীতত স্বদেশানুৰাগ কেনেদৰে প্রকাশ পাইছে, চমুকৈ লিখক।

11. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×2=12

(a) 'লভিতা' নাটৰ মৌজাদাৰনীৰ চৰিত্রটিৰ সূক্ষ্ম পর্যৱেক্ষণ আগবঢ়াওক।

(b) '' 'কাৰেঙৰ লিগিৰী' নাটকৰ গীতসমূহ নাটকৰ কাহিনীৰ অন্তৰংগ উপাদান হিচাপে ব্যৱহৃত হৈছে।'' চমুকৈ বুজাই লিখক।

(c) 'লভিতা' নাটকত দ্বন্দ্ব কেনেদৰে ফুটি উঠিছে, বিচাৰ কৰক।

12. তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×2=20

(a) '' 'শোণিত কুঁৱৰী' নাটত চিত্রলেখা''—এই বিষয়ত এটি আলোচনা যুগুত কৰক।

(b) 'কাৰেঙৰ লিগিৰী' নাটত চৰিত্র-চিত্রণ সম্পর্কত পাঠৰ আধাৰত বুজাই লিখক।

(c) ''জ্যোতিপ্রসাদৰ 'ৰূপালী'ম নাটকৰ আকর্ষণৰ এটা প্রধান কাৰণ হ'ল নাটখনত প্রয়োগ কৰা শক্তিশালী সংলাপ।'' মন্তব্যটি পর্যালোচনা কৰক।

(Continued)